NEWZ NOW

সংখ্যা ১২ | বৃহস্পতিবাৰ, ৫ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

# অসমত অপৰাধৰ হাৰ প্ৰায় ৬৮ শতাংশ হ্ৰাস পোৱা বুলি দাবী মুখ্যমন্ত্ৰীৰ

অসমত অপৰাধৰ হাৰ প্ৰায় ৬৮ শতাংশ হ্ৰাস পোৱা বুলি মুখ্যমন্ত্ৰীৰ দাবী। প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে অপৰাধৰ হাৰ ৩৭৯ৰ পৰা ১২১.৫লৈ হ্ৰাস।



NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৫:১৬

গুৱাহাটী, ৫ নৱেম্বৰঃ অসমত অপৰাধৰ হাৰ প্ৰায় ৬৮ শতাংশ হ্ৰাস পোৱাৰ লগতে আৰক্ষীৰ তদন্ত আৰু গোচৰ নিষ্পত্তিৰ ক্ষেত্ৰতো উন্নতি হোৱা বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত প্ৰকাশ কৰা চৰকাৰী তথ্যৰ আধাৰত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ উন্নতিৰ ছবি দাঙি ধৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/823

ৰাজনীতি

## CJPৰ দুই নেতাই আমেৰিকা-পাকিস্তানৰ পৰা ধন লাভ কৰাৰ অভিযোগ কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙৰ



নতুন দিল্লী, ৫ নৱেম্বৰঃ ককৰোচ জনতা পাৰ্টি (CJP)ৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে আৰু সহ-প্ৰতিষ্ঠাপক আশুতোষ ৰাংকাই বিদেশৰ পৰা ধন লাভ কৰা বুলি অভিযোগ উত্থাপন কৰিছে কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে।
পঢ়ক: https://newznow.in/news/856

ক্ৰীড়া

## ২৩ বছৰীয়া যাত্ৰাৰ সামৰণি, আন্তঃৰাষ্ট্ৰীয় ফুটবলক বিদায় ৰোনাল্ডোৰ



লিছবন, ৫ নৱেম্বৰঃ আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে পৰ্তুগালৰ মহাতাৰকা ক্ৰিষ্টিয়ানো ৰোনাল্ডোৱে।
পঢ়ক: https://newznow.in/news/843

অসম

## জুবিনৰ হত্যাত অভিযুক্তই জামিন পালে কঁপিব অসম; সোণাপুৰত বিশাল গণসমাৱেশত অখিল গগৈৰ সকীয়নি



সোণাপুৰ, ৫ নৱেম্বৰঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি বৃহস্পতিবাৰে গুৱাহাটীৰ সোণাপুৰস্থিত জুবিন ক্ষেত্ৰত হাজাৰ হাজাৰ অনুৰাগী আৰু সাধাৰণ ৰাইজৰ সমাৱেশ ঘটে।
পঢ়ক: https://newznow.in/news/839

অসম

## হোটেল বিলাশত কি হৈছিল? কেনেকৈ গুলীয়াইছিল ঘনকান্তই? স্ব-গৃহত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বৰ্ণনা সত্যেন্দ্ৰ পাঠকৰৰ



ববপেটা , ৫ নৱেম্বৰঃ বিলাস ইনত সংঘটিত গুলীচালনাৰ ঘটনাৰ ভয়ংকৰ অভিজ্ঞতা বৰ্ণনা কৰিছে ঘটনাটোত আহত সত্যেন্দ্ৰ পাঠকে।
পঢ়ক: https://newznow.in/news/847

ভিতৰৰ পাততে

অসম: দুদিনেও সম্পন্ন নহ'ল মৰণোত্তৰ পৰীক...
দেশ: আটকৰ মুহূৰ্তৰ পৰাই ২৪ ঘণ্টাৰ গণনা:...
দেশ: ৰাহুলজী আপুনি ভিয়েটনামত কিমান দিন...
অসম: অসম ৰাইফলছ ভুৱা নিযুক্তি চক্ৰৰ মাষ...

অসম

## দুদিনেও সম্পন্ন নহ'ল মৰণোত্তৰ পৰীক্ষা, ঘনকান্ত গগৈৰ মৃতদেহ চমজি লোৱাক লৈ পৰিয়ালৰ আপত্তি

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৬



ডিব্রুগড়, ৫ নৱেম্বৰঃ গুৱাহাটীৰ বিলাস ইন হত্যাকাণ্ডৰ অভিযুক্ত ঘনকান্ত গগৈৰ মৃতদেহ চমজি লোৱাক লৈ পৰিয়ালৰ সৈতে প্ৰশাসনৰ জটিলতাৰ সৃষ্টি হৈছে। পৰিয়ালে আজি মৃতদেহটো গতাই দিয়াৰ দাবী জনাইছে। আজি আৰক্ষীয়ে মৃতদেহটো পৰিয়ালক গতাই নিদিলে পৰিয়ালে মৃতদেহ চমজি নলয় বুলি জানিব পৰা গৈছে।


ইফালে, ঘনকান্ত গগৈৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাতো জটিলতাৰ সৃষ্টি হৈছে। বিগত দুদিন ধৰি প্ৰশাসনে তেওঁৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিব পৰা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/806

দেশ

## আটকৰ মুহূর্তৰ পৰাই ২৪ ঘণ্টাৰ গণনা: সৰ্বোচ্চ ন্যায়ালয়

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৫



নতুন দিল্লী, ৫ নৱেম্বৰ: কোনো ব্যক্তিক মেজিষ্ট্রেটৰ সম্মুখত হাজিৰ কৰাৰ ২৪ ঘণ্টাৰ সময়সীমা আনুষ্ঠানিক গ্ৰেপ্তাৰৰ সময়ৰ পৰা নহয়, আটক কৰাৰ মুহূর্তৰ পৰাই আৰম্ভ হয় বুলি সৰ্বোচ্চ ন্যায়ালয়ে বৃহস্পতিবাৰে ৰায় দিয়ে।

ন্যায়াধীশ উজ্জ্বল ভূঞাৰ নেতৃত্বাধীন বিচাৰপীঠে ৰায়ত কয় যে, আটক আৰু গ্ৰেপ্তাৰৰ মাজত পার্থক্য থাকিলেও দুয়োটাই...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/755

দেশ

## ৰাহুলজী আপুনি ভিয়েটনামত কিমান দিন আছিল, কাৰ সৈতে সাক্ষাৎ কৰিছিল, কিয় গৈছিল ? : অমিত শ্বাহে

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪২



কর্ণাল, ৫ নৱেম্বৰঃ কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিদেশ ভ্ৰমণক লৈ প্ৰশ্ন উত্থাপন কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। বৃহস্পতিবাৰে হাৰিয়ানাৰ কর্ণালত বিজেপিৰ 'গণতন্ত্ৰ বচাওক, অৰাজকতা আঁতৰাওক' অভিযানৰ অধীনত আয়োজিত পদযাত্ৰাত অংশগ্ৰহণ কৰি এখন সভাত ভাষণ দিয়ে শ্বাহে। সভাত তেওঁৰ মূল লক্ষ্য আছিল ৰাহুল গান্ধী। শ্বাহে ৰাহুল গান্ধীক তেওঁৰ সকলো বিদেশ ভ্ৰমণৰ তথ্য ৰাজহুৱা কৰিবলৈ দাবী জনায়। লোকসভাৰ বিৰোধী দলপতি হিচাপে তেওঁৰ বিদেশ ভ্ৰমণৰ বিষয়ে জনসাধাৰণৰ জানিবলৈ অধিকাৰ আছে বুলি মন্তব্য কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/860

অসম

## অসম ৰাইফলছ ভুৱা নিযুক্তি চক্ৰৰ মাষ্টাৰমাইণ্ডৰ সন্দেহত এজনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৫:৩২




ওদালগুৰি, ৫ নৱেম্বৰঃ ভুৱা অসম ৰাইফলছ নিযুক্তি চক্ৰ চলোৱাৰ অভিযোগত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/831

অসম

## বিটিচিৰ পাঁচখন জিলাত ৯ নৱেম্বৰত স্থানীয় বন্ধ ঘোষণা

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৫:২৭



কোকৰাঝাৰ, ৫ নৱেম্বৰঃ দীপাৱলী উপলক্ষে অহা ৯ নৱেম্বৰত বিটিচিৰ অধীনৰ পাঁচখন জিলাত স্থানীয় বন্ধ ঘোষণা কৰিছে বড়োলেণ্ড ক্ষেত্রীয় পৰিষদে। এই বন্ধ পৰিষদৰ অধীনস্থ সকলো বিভাগৰ কার্যালয়ৰ ক্ষেত্রত প্রযোজ্য হ'ব।

বিটিচিৰ সাধাৰণ প্রশাসন বিভাগে ৩ নৱেম্বৰত এই সন্দর্ভত আনুষ্ঠানিক জাননী জাৰি কৰে। জাননী অনুসৰি কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত এই বন্ধ পালন কৰা হ'ব।

অৱশ্যে জৰুৰীকালীন আৰু অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত কার্যালয় তথা প্রতিষ্ঠানসমূহ এই বন্ধৰ আওতাৰ বাহিৰত থাকিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/827

অসম

## ধুবুৰী জিলা কাৰাগাৰৰ বন্দীৰ চিকিৎসালয়ত মৃত্যু

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৮




ধুবুৰী, ৫ নৱেম্বৰঃ ধুবুৰী জিলা কাৰাগাৰত বন্দী হৈ থকা ৩০ বছৰীয়া মহলম ইছলামৰ বৃহস্পতিবাৰে মাজনিশাৰ পিছতে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/802

অসম

## নগাঁৱত ৰূপক শর্মাৰ ব্যক্তিগত সহায়কৰ বিৰুদ্ধে দাদাগিৰিৰ অভিযোগ!

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৯




নগাঁও, ৫ নৱেম্বৰ, ২০২৬:

নগাঁৱত বিধায়ক ৰূপক শর্মাৰ ব্যক্তিগত সহায়ক বুলি পৰিচিত দিপাংকৰ শর্মাৰ বিৰুদ্ধে ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে। জুবিন উদ্যানৰ সন্মুখত সৰু সৰু ফাষ্টফুডৰ দোকান দি পৰিয়াল পোহপাল দি অহা কেইবাটাও ব্যৱসায়িক প্রতিষ্ঠান উচ্ছেদৰ বাবে নগাঁও পৌৰসভাই পদক্ষেপ লোৱাক কেন্দ্র কৰি বৃহস্পতিবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ব্যৱসায়ীসকলৰ অভিযোগ, দিপাংকৰ শর্মাৰ নির্দেশতে পৌৰসভাৰ এই উচ্ছেদ অভিযানৰ প্রচেষ্টা চলিছে।

নগাঁৱৰ ছোৱালী মহাবিদ্যালয়ৰ সন্মুখত অৱস্থিত জুবিন উদ্যানৰ কাষত একাংশ ক্ষুদ্র ব্যৱসায়ীয়ে ম'ম' আৰু বিভিন্ন ফাষ্টফুডৰ দোকান চলাই পৰিয়াল পোহপাল দি আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/855

অসম

## অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে পাঁচগৰাকীৰ নাম মনোনীত

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৯




গুৱাহাটী, ৫ নৱেম্বৰঃ অসম সাহিত্য সভাৰ ২০২৭-২৯ কার্যকালৰ সভাপতি পদৰ বাবে পাঁচগৰাকী বিশিষ্ট ব্যক্তিৰ নাম মনোনীত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/798

অসম

## GMCHৰ পৰা ঘৰলৈ উভতিল গুৱাহাটীৰ হোটেলৰ গুলীচালনাৰ ঘটনাত আহত সত্যেন্দ্ৰ পাঠক

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫২



গুৱাহাটী, ৫ নৱেম্বৰঃ গুৱাহাটীৰ Hotel Bilas Inn-ত ২৬ অক্টোবৰত সংঘটিত গুলীচালনাৰ ঘটনাত আহত সত্যেন্দ্ৰ পাঠকক বৃহস্পতিবাৰে Gauhati Medical College and Hospital (GMCH)ৰ পৰা যাবলৈ দিয়া হয়। ঘটনাটোত পাঁচগৰাকী লোকৰ মৃত্যু হৈছিল। গুলীৰ আঘাত পোৱা পাঠকে চিকিৎসাৰ অন্তত সুস্থ হৈ চিকিৎসালয় এৰে।

সত্যেন্দ্ৰ পাঠক ভুদেৱ ভৰালীৰ গাড়ীচালক হিচাপে কৰ্মৰত আছিল। আৰক্ষীৰ মতে, ঘটনাৰ মূল অভিযুক্ত ঘনকান্ত গগৈয়ে হোটেলখনত গুলীচালনা কৰাৰ সময়ত তেওঁ আহত হৈছিল। পাঠকৰ শৰীৰত গুলীৰ আঘাত লাগিছিল আৰু তেওঁক GMCHত ভর্তি কৰোৱা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/790

অসম

## মিছমিকাটা বিনা চাহ বাগিচাত পানীৰ গাঁতত পৰি শ্ৰমিকৰ মৃত্যু

সুৰজিৎ চৌধুৰী | ৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৭



তালাপঃ তিনিচুকীয়া জিলাৰ তালাপৰ সমীপৱৰ্তী মিছমিকাটা বিনা চাহ বাগিচাত সংঘটিত হৈছে এক শোকাৱহ ঘটনা। বাগিচাৰ মাজত পানীৰ বাবে খান্দি থোৱা গাঁতত পৰি মৃত্যু হয় এজন ২৬ বছৰীয়া ব্যক্তিৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/822

অসম

## অসমৰ নদীপাৰৰ ভূমি ব্যৱহাৰ নিয়ন্ত্ৰণৰ বাবে হ'ব নতুন আইন প্ৰণয়ন

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:৫৩



গুৱাহাটী, ৫ নৱেম্বৰঃ অসমৰ নদীপাৰৰ ভূমি ব্যৱহাৰ আৰু নিৰ্মাণ-কাৰ্য নিয়ন্ত্ৰণৰ লক্ষ্যৰে প্ৰস্তাৱিত বান-সমভূমি মণ্ডলীকৰণ বিধেয়কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বৃহস্পতিবাৰে এই সন্দৰ্ভত বিষয়াসকলৰ সৈতে বৈঠকত বহে মুখ্যমন্ত্ৰীগৰাকী।

প্ৰস্তাৱিত বিধেয়কখনৰ জৰিয়তে নদীৰ দুয়োপাৰে নিষিদ্ধ আৰু নিয়ন্ত্ৰিত অঞ্চল নিৰ্ধাৰণৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ ফলত বানৰ আশংকা থকা অঞ্চলত নিৰ্মাণ-কাৰ্য আৰু অন্যান্য ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত সীমাবদ্ধতা আৰোপ কৰিব পৰা যাব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/868

অসম

## ডাইনী সন্দেহত মহিলাক হত্যা, ডিগবৈত তিনি মহিলাক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৮



ডিগবৈঃ তিনিচুকীয়া জিলাৰ ডিগবৈৰ উল্টাপুল ঔগুৰিত ডাইনী সন্দেহত এগৰাকী মহিলাক হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/864

আন্তঃৰাষ্ট্ৰীয়

## পাক-অধিকৃত কাশ্মীৰৰ ৰাৱালাকোটত ড্ৰ'ন আক্ৰমণ আৰু গুলীচালনাৰ অভিযোগ, ৩জন নিহত, ১৮জন আহত

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৬



নতুন দিল্লী, ৫ নৱেম্বৰঃ পাক-অধিকৃত জম্মু-কাশ্মীৰৰ ৰাৱালাকোটত বৃহস্পতিবাৰে পাকিস্তান সেনাৰ বিৰুদ্ধে ড্ৰ'ন আক্ৰমণ আৰু গুলীচালনাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাত তিনিজন লোক নিহত হোৱাৰ লগতে ১৮জন আহত হোৱা বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। ৰাৱালাকোটৰ উমৰ ফাৰুক চ'ক অঞ্চলত সংঘটিত হৈছে এই ঘটনা।

বৃহস্পতিবাৰে পুৱা প্ৰায় ৫ বজাৰ পৰা অঞ্চলটোত গুলীচালনা চলি আছে। পাকিস্তান সেনাই সাধাৰণ নাগৰিকৰ ঘৰলৈ ড্ৰ'ন আক্ৰমণ চলোৱাৰ লগতে গুলীচালনা কৰা বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় বাসিন্দাসকলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/794

দেশ

## মঞ্চত 'জে পি নাড্ডা মুৰ্দাবাদ' ধ্বনি দি জিভা পিছলিল মুখ্যমন্ত্ৰীৰ!

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪২



ভূপাল, ৪ নৱেম্বৰ, ২০২৬:

মঞ্চত ভাষণ দি থাকোঁতেই জিভা পিছলিল (Slip of the tongue) মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱৰ। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ সন্মুখতে 'জে পি নাড্ডা মুৰ্দাবাদ' বুলি কৈ অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। অৱশ্যে ভুলটো উপলব্ধি কৰিয়েই তেওঁ লগে লগে শ্লগানটো শুধৰাই 'জে পি নাড্ডা জিন্দাবাদ' বুলি কয়। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাই�ৰেল হোৱাৰ পাছতে চৰ্চা আৰম্ভ হৈছে।

৪ নৱেম্বৰ, বুধবাৰে মধ্যপ্ৰদেশৰ ৰাজধানী ভূপালৰ TT Nagarত বিজেপিৰ উদ্যোগত 'লোকতন্ত্ৰ বচাও...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/754

আন্তঃৰাষ্ট্ৰীয়

## হৰমুজ প্ৰণালীৰ নিষেধাজ্ঞাৰ পৰা ভাৰতৰ জাহাজক ৰেহাই ইৰাণৰ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০১





নতুন দিল্লী, ৪ নৱেম্বৰঃ পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিস্থিতিৰ মাজতে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালীৰে জাহাজ চলাচলৰ ক্ষেত্ৰত ভাৰতক বিশেষ ৰেহাই দিছে ইৰাণে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/767

দেশ

## ছয়খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধন ঘোষণা

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৩



নতুন দিল্লী, ৫ নৱেম্বৰঃ ভাৰতৰ নিৰ্বাচন আয়োগে ছয়খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বাৰ্ষিক বিশেষ সংক্ষিপ্ত সংশোধন প্ৰক্ৰিয়া ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/835

ৰাজনীতি

## 'কংগ্রেছে শাসনকালত পাকিস্তানৰ আক্রমণৰ উচিত প্রত্যুত্তৰ দিব পৰা নাছিল' - সর্বানন্দ সোণোৱাল

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৪:২২



শিলিগুৰি, ৫ নৱেম্বৰঃ অসমত বিদেশী অনুপ্রৱেশকাৰীক সুৰক্ষা দিয়াৰ উদ্দেশ্যে কংগ্রেছে নিজৰ শাসনকালত ষড়যন্ত্র ৰচনা কৰিছিল বুলি অভিযোগ উত্থাপন কৰিছে কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে। বৃহস্পতিবাৰে শিলিগুৰিত এখন সংবাদমেল সম্বোধন কৰি সোণোৱালে ১৯৮৩ চনত প্রণয়ন কৰা অবৈধ প্রব্রজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নির্ধাৰণ) আইন, চমুকৈ আইএমডিটি আইনক কংগ্রেছৰ অসম নীতিৰ অন্যতম উদাহৰণ হিচাপে দাঙি ধৰে।

সোণোৱালে কয় যে অসমত বিদেশী অনুপ্রৱেশকাৰীৰ উপস্থিতি আৰু তেওঁলোকৰ চিনাক্তকৰণৰ দাবী দীর্ঘদিনীয়া সমস্যা হৈ আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/810

দেশ

## বিৰোধীয়ে প্রতিবাদৰ বাবে জনসমাগম কৰিলে বিজেপি কর্মীয়েও তাৰ 'উপযুক্ত প্রত্যুত্তৰ' দিব: অমিত শ্বাহ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৬



কর্ণাল, ৫ নৱেম্বৰঃ 'ভোট চুৰি' বিতর্কৰ মাজতে কংগ্রেছ নেতা ৰাহুল গান্ধীক তীব্র সমালোচনা কৰিছে কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/774

দেশ

## জন্তৰ মন্তৰ গোচৰত CJPৰ দুজন নেতাক দিল্লী আৰক্ষীৰ জেৰা

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৫২



নতুন দিল্লী, ৫ নৱেম্বৰঃ যন্তৰ-মন্তৰৰ প্রতিবাদৰ সৈতে জড়িত গোচৰত দিল্লী আৰক্ষীৰ অপৰাধ শাখাৰ কার্যালয়ত হাজিৰ হৈছে কক্র'চ জনতা পার্টি (CJP)-ৰ সহ-আহ্বায়ক সৌৰভ দাস আৰু আশুতোষ ৰংকা। বৃহস্পতিবাৰে পুৰা প্রায় ১১ বজাত দিল্লীৰ ৰাজৌৰী গার্ডেনস্থিত অপৰাধ শাখাৰ কার্যালয়ত উপস্থিত হোৱাৰ পিছতে আৰক্ষীৰ বিষয়াসকলে দুয়োগৰাকী নেতাক সোধা-পোছা কৰে।

আৰক্ষীৰ সূত্র অনুসৰি, যন্তৰ-মন্তৰত ১৩ অক্টোবৰত সংঘটিত প্রতিবাদৰ সৈতে জড়িত দুটা গোচৰৰ তদন্তৰ অংশ হিচাপে তেওঁলোকক তলব কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/818

দেশ

## মেটাৰ প্লেটফর্মত শিশু নির্যাতনৰ সামগ্রীৰ অভিযোগ, দিল্লী আৰক্ষীৰ এফআইআৰ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৮




ফেচবুক আৰু ইনষ্টাগ্রামত শিশু যৌন শোষণ আৰু নির্যাতন সম্পর্কীয় সামগ্রী থকা বুলি অভিযোগ উঠা প্রায় ১০টা লিংকৰ সন্দর্ভত তদন্ত আৰম্ভ কৰিছে দিল্লী আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/759

ব্যৱসায়-বাণিজ্য

## দীপাৱলীৰ পূৰ্বেই শ্বেয়াৰ বজাৰত উত্থানৰ জোৱাৰ, বিনিয়োগকাৰীৰ সম্পত্তি ৭.৩ লাখ কোটি টকা বৃদ্ধি

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৮




নতুন দিল্লী, ৫ নৱেম্বৰঃ দীপাৱলীৰ পূৰ্বে বৃহস্পতিবাৰে ভাৰতীয় শ্বেয়াৰ বজাৰত দেখা গ'ল বৃহৎ উত্থান। BSE Sensex ১,৮৩৮.৬৪ পইণ্ট বা ২.৩৮ শতাংশ বৃদ্ধি পাই ৭৯,১৪০.০৪ পইণ্টত বন্ধ হয়। আনহাতে, NSE Nifty ৫০ ৫২৫ পইণ্ট বা ২.১৯ শতাংশ বৃদ্ধি পাই ২৪,৪৩৬.০৫ পইণ্টত উপনীত হয়। বজাৰৰ এই উত্থানৰ ফলত বিনিয়োগকাৰীৰ সম্পত্তিৰ পৰিমাণ ৭.৩ লাখ কোটি টকাৰো অধিক বৃদ্ধি পায়।

বৃহস্পতিবাৰে একেৰাহে ষষ্ঠটো ব্যৱসায়িক দিনৰ বাবে ঊৰ্ধ্বমুখী ধাৰা অব্যাহত ৰাখে শ্বেয়াৰ বজাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/778

ব্যৱসায়-বাণিজ্য

## দীপাৱলীৰ পাছত ম'বাইলৰ দাম ১০ শতাংশ বাঢ়িব পাৰে

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫২



২৫ হাজাৰ টকাৰ তলৰ নতুন ৫জি স্মাৰ্টফোনৰ বিকল্প ক্ৰমাৎ কমি আহিছে। মেম'ৰি চিপৰ মূল্যবৃদ্ধি আৰু যন্ত্ৰাংশৰ যোগান-সংকটৰ ফলত আগন্তুক কম দামৰ ৫জি ম'বাইলৰ মূল্য বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে খুচুৰা বিক্ৰেতাসকলে।

অল ইণ্ডিয়া ম'বাইল ৰিটেইলাৰ্ছ এছ'চিয়েচন (AIMRA)-ৰ মতে, নিৰ্মাণ ব্যয় বৃদ্ধি আৰু গ্ৰাহকৰ ক্ৰয়ক্ষমতা হ্ৰাসৰ ফলত বিশেষকৈ ২০ হাজাৰ টকাৰ তলৰ স্মাৰ্টফোনৰ বজাৰখন চাপৰ সন্মুখীন হৈছে। ইয়াৰ প্ৰভাৱ পৰিছে বিক্ৰী আৰু চাহিদাৰ ওপৰত।

বিশ্বজুৰি মেম'ৰি চিপৰ যোগান-সংকটৰ লগতে টকাৰ মূল্য হ্ৰাসেও ম'বাইলৰ দাম বৃদ্ধিত অৰিহণা যোগাইছে। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ নিৰ্মাতাসকলে উৎপাদন আৰু যোগানৰ পৰিকল্পনা পুনৰ বিবেচনা কৰিবলগীয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/763

দেশ

## দিল্লীৰ চাৰড়ী বজাৰত নিৰ্মীয়মাণ অট্টালিকা খহি দুজনৰ মৃত্যু, কেইবাজনো আৱদ্ধৰ আশংকা

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৯



নতুন দিল্লী, ৫ নৱেম্বৰঃ দিল্লীৰ পুৰণি দিল্লীৰ ব্যস্ত চাৰড়ী বজাৰ অঞ্চলত বৃহস্পতিবাৰে পুৰা নিৰ্মীয়মাণ তিনিমহলীয়া এটা অট্টালিকা খহি পৰাৰ ফলত দুজন লোকৰ মৃত্যু হৈছে। এই ঘটনাত এজন আহত লোকক উদ্ধাৰ কৰা হৈছে। আনহাতে, ধ্বংসাৱশেষৰ তলত কেইবাজনো লোক আৱদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/782

স্বাস্থ্য

## উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ গৰিমা শইকীয়া গাৰ্গ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৩



গুৱাহাটী, ৫ নৱেম্বৰঃ উন্নত চিকিৎসা আৰু বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণৰ বাবে মুম্বাইলৈ ৰাওনা হৈছে প্ৰয়াত কণ্ঠশিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/814

উত্তৰ-পূৰ্বাঞ্চল

## মণিপুৰৰ উখৰুলত নগা সংগঠনৰ বিশাল প্ৰতিবাদ, অসম ৰাইফলছ প্ৰত্যাহাৰ আৰু ৰাজনৈতিক সমাধানৰ দাবী

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৭




উখৰুল, ৫ নৱেম্বৰঃ মণিপুৰৰ ৰাজনৈতিক সংকটৰ স্থায়ী সমাধান আৰু নগা অধ্যুষিত অঞ্চলৰ পৰা অসম ৰাইফলছ প্ৰত্যাহাৰৰ দাবীত বৃহস্পতিবাৰে উখৰুল জিলাত বিশাল প্ৰতিবাদী সমদল উলিয়ায় বিভিন্ন নগা সংগঠনে। কেন্দ্ৰীয় চৰকাৰক ৰাজ্যখনৰ চলি থকা সংকটৰ সমাধানৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিবলৈও দাবী জনায় প্ৰতিবাদকাৰীসকলে।

United Naga Council (UNC)-ৰ অধীনত Tangkhul Naga Long (TNL) আৰু Tangkhul Frontal Organisation-এ এই প্ৰতিবাদী কাৰ্যসূচীৰ আয়োজন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/786

স্বাস্থ্য

## বিশ্বত ২৪ কোটি কিশোৰ-কিশোৰীয়ে এদিনো কমেও ৬০ মিনিট মজলীয়াৰ পৰা জোৰদাৰ শাৰীৰিক সক্ৰিয়তা নকৰে

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৮



বিশ্বৰ ১১ৰ পৰা ১৭ বছৰ বয়সৰ প্ৰায় ২৪ কোটি কিশোৰ-কিশোৰীয়ে সপ্তাহৰ কোনো দিনেই কমেও ৬০ মিনিট মজলীয়া বা তীব্ৰ শাৰীৰিক সক্ৰিয়তাত অংশ নলয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/750

উত্তৰ-পূৰ্বাঞ্চল

## গ্ৰেপ্তাৰৰ পূৰ্বে সাত কৰ্মদিনৰ জাননী দিব লাগিব মণিপুৰৰ কংগ্ৰেছ সাংসদক

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:৫৫



নতুন দিল্লী, ৫ নৱেম্বৰঃ যৌন নিৰ্যাতন আৰু পেছাগত অনুচিত আচৰণৰ অভিযোগ সম্পৰ্কীয় গোচৰত মণিপুৰৰ কংগ্ৰেছ সাংসদ তথা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (জেএনইউ) প্ৰাক্তন অধ্যাপক আংগোমচা বিমল আকোইজামক গ্ৰেপ্তাৰ বা আন কোনো বলপূৰ্বক ব্যৱস্থা গ্ৰহণৰ পূৰ্বে সাত কৰ্মদিনৰ জাননী দিবলৈ দিল্লী আৰক্ষীক নিৰ্দেশ দিছে এখন দিল্লীৰ আদালতে। ৫ নৱেম্বৰত বিশেষ ন্যায়াধীশ দিগ বিনয় সিঙে আকোইজামৰ আগতীয়া জামিনৰ আবেদন নিষ্পত্তি কৰি এই নিৰ্দেশ দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/872

দেশ

## শিখসকলৰ সু�ৰক্ষাক লৈ মন্তব্যৰ গোচৰত ৰাহুল গান্ধীক সকাহ, এজাহাৰ দাখিলৰ নিৰ্দেশ ন্যায়ালয়ৰ নাকচ

NewzNow ডেস্ক | ৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৪



নতুন দিল্লী, ৫ নৱেম্বৰঃ শিখ সম্প্ৰদায়ৰ সুৰক্ষাক লৈ ২০২৩ চনত আমেৰিকাত দিয়া মন্তব্যৰ বাবে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ দাখিলৰ নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে এলাহাবাদ উচ্চ ন্যায়ালয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/851